# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

ভূটানৰ ৪ দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি দেশখনৰ ৰাজধানী থিম্ফুত উপস্থিত হৈছেগৈ। থিম্ফু বিমান বন্দৰত মুখ্যমন্ত্ৰীগৰাকীক দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে  আজি ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' চেৰিং টবগেক সাক্ষাৎ কৰে। ড° শৰ্মাই কাইলৈ ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তদুপৰি অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰিব। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি আশা কৰা হৈছে।

000

কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ সৈতে অংশীদাৰি ভিত্তিত কাম কৰিছে বুলি কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। মুম্বাইত আজি উত্তৰ পূৰ বিনিয়োগকাৰী সন্মিলন শীৰ্ষক এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য পূৰণ কৰাৰ বাবে সকলোৰে সম প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব। তেওঁ বিনিয়োগকাৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন আন্তঃগাথনিমূলক আৰু উন্নয়নমূলক প্ৰকল্পৰ কথা উল্লেখ কৰি শ্ৰীসিন্ধিয়াই কয়, যে তেওঁ উত্তৰ-পূৰ আৰু মুম্বাইৰ মাজত যোগাযোগ ব্যৱস্থা অধিক উন্নত হোৱাটো বিচাৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মানিক সাহা উপস্থিত থাকে।

000

মৰিগাওঁ জিলা শিক্ষা বিভাগৰ উদ্যোগত জিলাখনত সমাগত গুণোৎসৱৰ লগত সংগতি ৰাখি আজি মৰিগাওঁ টাউন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত সংযোগকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি মৰিগাওঁ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই গুণোৎসৱৰ সকলো দিশত স্বচ্ছতা অৱলম্বনৰ বাবে আহ্বান জনায়। তেওঁ লগতে গুণোৎসৱত ভাল ফলাফল লাভ কৰিব পৰাকৈ  নিখুত পৰিকল্পনা গ্ৰহণৰ বাবে সংযোগকাৰী বিষয়াসকলক আহ্বান জনায়। অনুষ্ঠানত ১৪২ গৰাকী সংযোগকাৰী বিষয়াই অংশগ্ৰহণ কৰে। জিলাখনত অহা বছৰৰ ৪ ফেব্ৰুৱাৰীৰ পৰা ৭

ফেব্ৰুৱাৰীলৈ হবলগীয়া গুণোৎসৱত এহেজাৰ ৩৯৪ খন বিদ্যালয়ৰ ১ লাখ ৫০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক ৬৯০ গৰাকী বহিঃনিৰীক্ষকে মূল্যায়ন কৰিব।

০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক নাট মহোৎসৱ উপলক্ষে অঞ্চলটোত ভালেসংখ্যক নাট্যপ্ৰেমীৰ সমাগম হৈছে। আজি পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাটখন মঞ্চস্থ কৰা হয়। বিশিষ্ট চিত্ৰশিল্পী ৰবিৰাম ব্ৰহ্মই কালি পুৱা এই নাট সমাৰোহৰ শুভাৰম্ভ কৰিছিল। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শালনিৰ মাজৰ এডোখৰ ভূমিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিবেশনত অংশ লৈছে।

০০০

তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ সমীপত আজি সীমা সুৰক্ষা বলে অভিযান চলাই প্ৰায় ৩৫ কিলোগ্ৰাম গাঞ্জাসহ এজন লোকক আটক কৰে। এছ এছ বিৰ এটা দলে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ভূটান সীমান্তৰ মেনকা ফায়াৰিং ৰেঞ্জৰ সমীপত এখন মটৰ চাইকেলত আহি থকা অৱস্থাত গজেন নাৰ্জাৰী নামৰ লোকজনৰ পৰা এই গাঞ্জাখিনি জব্দ কৰে। পাছত লোকজনক জব্দ কৰা সামগ্ৰী আৰু মটৰ চাইকেলসহ এছ এছ বিৰ লোকে ভূটান সীমান্তত থকা শুল্ক বিভাগক গটাই দিয়ে।

ইপিনে, জিলাখনৰ ভাৰত-ভূটান সীমান্তৰ দৰঙামেলাত আৰক্ষীয়ে অভিযান চলাই ৭০ কাৰ্টুন অবৈধ সুৰা জব্দ কৰে। আৰক্ষীয়ে লগতে সুৰাখিনি কঢ়িয়াই অনা বিজু নাৰ্জাৰী নামৰ এজন লোকক আটক কৰে।

০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ফাতেমাবাদ চাহ বাগিছাৰ শ্ৰমিকসকলে আজি প্ৰাপ্য মজুৰী তথা ৰেচনৰ দাবীৰে মালিক পক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় ৫ সপ্তাহে প্ৰাপ্য মজুৰীৰ পৰা বঞ্চিত হৈ থকা শ্ৰমিকসকলে কিছুদিন পূৰ্বেও প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। প্ৰতিবাদৰত শ্ৰমিকসকলে বিভিন্ন শ্লোগান দি তেওঁলোকৰ সমস্যাৰ সমাধান কৰিবলৈ বাগানৰ মালিক পক্ষক দাবী জনায়।

০০০

অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ৭ জানুৱাৰীলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। পৰহিলৈ খেলপথাৰৰ বাকৰিত অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰা হ'ব বুলি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিছে।

০০০

সমাপ্ত